

## সুপ্ৰভাত

আজিৰ দিনটোতে—

- ২০০৯ত ছুইডেনত সমকামী বিবাহ বৈধ
- ১৯৩৭ত লেখক-অধ্যাপক শৰৎ মহন্তৰ জন্ম
- ১৮৮৫ত চিকাগো ব'ৰ্ড অৱ ট্ৰেড বিল্ডিং ব্যৱসায়লৈ মুকলি
- ১৯১৯ত সংগীত শিল্পী মান্না দে'ৰ জন্ম
- ১৯৪২ত সাহিত্যিক-ভাষাবিদ ড° ৰমেশ পাঠকৰ জন্ম

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

□ সংখ্যা ৫৬ □ শুকুৰবাৰ □ ১৭ ব'হাগ ১৯৪৮ শক □ ১৪৩৩ ভাস্কৰাব্দ □ ১ মে' ২০২৬ চন □ VOL-16 □ NO-56 □ FRIDAY 1 MAY 2026 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH EDITION) PAGE-1

### কানৈ মহাবিদ্যালয়ৰ শ্ৰেণীকোঠাত সংযোজিত হ'ল কৃত্ৰিম বুদ্ধিমত্তাসম্পন্ন স্মাৰ্ট ব'ৰ্ড

## কানৈ মহাবিদ্যালয়ৰ শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰত প্ৰশিক্ষণ

**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ৩০ এপ্ৰিল ঃ** ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ প্ৰযুক্তিৰ দিশত এক নতুন দিগন্তৰ বাট মুকলি হ'ল। শ্ৰেণীকোঠাত সংযোজিত হ'ল সমগ্ৰ দেশৰ ভিতৰতে অন্যতম হিচাপে বিবেচিত কৃত্ৰিম বুদ্ধিমত্তা সম্পন্ন স্মাৰ্ট ব'ৰ্ড। এই কৃত্ৰিম বুদ্ধিমত্তাসম্পন্ন স্মাৰ্ট ব'ৰ্ডৰ প্ৰয়োগ কৌশল সম্পৰ্কে মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষ আৰু শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰৰ উদ্যোগত ২৮ এপ্ৰিলত অধ্যাপক-অধ্যাপিকাসকলৰ মাজত এক কৰ্মশালা অনুষ্ঠিত হয়। কৰ্মশালাখনত সমল ব্যক্তি হিচাপে উপস্থিত থাকে গুৱাহাটিস্থিত ভি-জ্ঞান কোম্পানীৰ কাৰিকৰী বিষয়া ক্লেপটন ৰংহাং। তেওঁ অধ্যাপক-অধ্যাপিকাসকলক স্মাৰ্ট ব'ৰ্ডৰ বিভিন্ন কৌশল



প্ৰয়োগ কৰি কেনেদৰে শ্ৰেণীকোঠা অধিক ফলপ্ৰসূ কৰি তুলিব পাৰি সেই বিষয়ে অৱগত কৰাৰ লগতে এনে শিকন সামগ্ৰীৰ ব্যৱহাৰৰ ব্যাখ্যা আগবঢ়াই শিক্ষক-শিক্ষয়িত্ৰীসকলক অৱগত কৰে। অনুষ্ঠানত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই কয়— এয়া ৮০ বছৰীয়া মহাবিদ্যালয়খনৰ বাবে অন্যতম এক নতুন খোজ। মহাবিদ্যালয়খন অত্যাধুনিক প্ৰযুক্তিৰ দিশত আগুৱাই নিবলৈ চেষ্টা কৰি থকাৰ অংশ হিচাপে এনে শিকন সামগ্ৰী ব্যৱহাৰ কৰা হয় বুলি উল্লেখ কৰি তেওঁ কয়— ইতিমধ্যে মহাবিদ্যালয়খনৰ গৰিষ্ঠসংখ্যক শ্ৰেণীকোঠাত এনে প্ৰযুক্তিৰ শেহতীয়া কৃত্ৰিম বুদ্ধিমত্তাসম্পন্ন স্মাৰ্ট ব'ৰ্ড সংযোজন কৰা হৈছে। তেওঁ কয় যে নিশ্চিতভাৱে এনে স্মাৰ্ট ব'ৰ্ড পৃথিৱীত আৱিষ্কাৰ হোৱাৰ লগে লগেই কানৈ মহাবিদ্যালয়েও শিক্ষাৰ্থী আৰু অধ্যাপক-অধ্যাপিকাৰ সুবিধাৰ্থে শ্ৰেণীকোঠাসমূহ সজাই তুলিছে। অধ্যক্ষগৰাকীয়ে কয়— শ্ৰেণীকোঠাত এই কৃত্ৰিম বুদ্ধিমত্তাসম্পন্ন স্মাৰ্ট ব'ৰ্ডৰ সংযোজনে ব্যক্তিগত শিক্ষাত সুবিধা, স্বয়ংক্ৰিয় মূল্যায়নৰ ফীডবেক, ভাষান্তৰ আৰু সুলভতা, জটিল বিষয়সমূহ সহজে উপস্থাপন আৰু শিক্ষকৰ কামৰ বোজা যথেষ্ট হ্ৰাস হ'ব। অনুষ্ঠানত উপাধ্যক্ষ ড° পাৰ্থ গাংগুলীয়ে কয়— এনে কৃত্ৰিম বুদ্ধিমত্তাসম্পন্ন স্মাৰ্ট ব'ৰ্ড শ্ৰেণীকোঠাত সংস্থাপন কৰাৰ ফলত পাঠ্যক্ৰমৰ পৰিকল্পনা কৰা, প্ৰশ্নকাকত প্ৰস্তুত কৰা, শ্ৰেণীকোঠাত উপস্থিতি লোৱা, বিভিন্ন বিজ্ঞানৰ জটিল পৰীক্ষা, ভূগোলৰ মানচিত্ৰ কৃত্ৰিম বুদ্ধিমত্তাৰ সহায়ত থ্ৰী ডি মডেল বা এনিমেচনৰ জৰিয়তে সহজে দেখুৱাব পাৰিব। শিক্ষাৰ্থীৰ মাজত কুইজ বা সমাধানবোৰ তৎক্ষণাত দিব পৰা যাব। শিক্ষাৰ্থীৰ শিকিব পৰা ক্ষমতা আৰু গতি অনুসৰি পাঠদানৰ সমলবোৰ সহজে সালসলনি কৰিব পাৰিব। বুজি নোপোৱা বিষয় এটা সহজে কৃত্ৰিম বুদ্ধিমত্তাৰ যোগেদি অতিৰিক্তভাৱে বুজোৱাত সহজ হ'ব। মহাবিদ্যালয়ৰ শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰৰ সমন্বয়ক, সংস্কৃত বিভাগৰ অধ্যাপিকা বিনী শইকীয়াই কয়— অনাগত দিনত নতুন শিক্ষানীতি-২০২০ অনুসৰি শিক্ষা ব্যৱস্থাৰ আমূল পৰিৱৰ্তনৰ ক্ষেত্ৰত আগুৱাই যাব পৰাকৈ শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰৰ তৰফৰ পৰা সময়ে সময়ে অধ্যাপক-অধ্যাপিকাসকলৰ মাজত এনে প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হৈছে আৰু ভৱিষ্যতেও এনে কাৰ্যসূচী সঘনাই অনুষ্ঠিত হ'ব। অনুষ্ঠানত মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° দীপংকজ গগৈয়ে শ্ৰেণীকোঠত এনে উন্নত প্ৰযুক্তিসম্পন্ন কৃত্ৰিম বুদ্ধিমত্তাৰ স্মাৰ্ট ব'ৰ্ড সংযোজন কৰাৰ বাবে সকলো অধ্যাপক-অধ্যাপিকাৰ হৈ অধ্যক্ষ ড° শশীকান্ত শইকীয়াক ধন্যবাদ জ্ঞাপন কৰে। প্ৰশিক্ষণ কাৰ্যসূচীত মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা উপস্থিত থাকে।